
সাংবাদিকতাৰ স্বাধীনতাক লৈ সৰৱ হৈ উঠা ছেইন উইনৰ ব্যক্তিগত স্বাধীনতা বাৰে বাৰে খৰ্ব হৈছিল সুবিধাবাদী শাসকীয় পক্ষৰ হাতত। ছেইন উইনৰ নিৰপেক্ষ কলমক লেকাম লগোৱাৰ ব্যৰ্থ প্ৰয়াসত ক্ষুব্ধ শাসকীয় পক্ষই সেয়েহে কেইবাবাৰো কাৰাগাৰলৈ নিক্ষেপ কৰিছিল তেওঁক।

# ইউ ছেইন উইন


## স্তব্ধ হ'ল ইতিহাসৰ এটি পৃষ্ঠা



ব্যক্তিত্ব | **জিতুমণি পাঠক**

বর্তমানৰ ম্যানমাৰ আৰু পূৰ্বে ব্ৰহ্মদেশ হিচাপে পৰিচিত ভাৰতৰ উত্তৰ-পূব প্ৰান্তৰ দেশখনৰ এক দীৰ্ঘ ইতিহাসৰ সাক্ষী ইউ ছেইন উইনৰ যোৱা বৃহস্পতিবাৰে এক দীৰ্ঘদিনীয়া অসুস্থতাৰ ফলত মৃত্যু ঘটাৰ লগে লগে যেন বন্ধ হৈ গ'ল ইতিহাসৰ অজানা জগতখনত পৰিভ্ৰমণ কৰাৰ এটি পথ। জীৱনকালত সংবাদসেৱী হিচাপে আগবঢ়োৱা অতুলনীয় সেৱাৰ বাবে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন সন্মানেৰে সন্মানিত হৈছিল এইগৰাকী ব্যক্তি। প্ৰায় চল্লিশ বছৰীয়া সাংবাদিক জীৱনত তেওঁ নিজ দেশ ব্ৰহ্মদেশত প্ৰত্যক্ষ কৰিছিল উত্থান-পতনৰ অলেখ চিত্ৰ। ম্যানমাৰৰ ইতিহাসৰ অলেখ অজানা তথ্য এইগৰাকী ব্যক্তিৰ বাবেই পুনৰবাৰ জীৱন্ত হৈ উঠাটো সম্ভৱ হৈ উঠিছিল। তেওঁৰ কলমে নিৰন্তৰ লিপিবদ্ধ কৰি গৈছিল সময়ৰ সেই ভিন্ন ৰূপক অবিকৃতভাৱে। কিন্তু নিজৰ এই অসামান্য সেৱাৰ বাবে জীৱনকালত নিজ দেশৰ শাসকীয় পক্ষৰ পৰা মাথোঁ পালে অৱহেলা আৰু অসন্মান। সাংবাদিকতাৰ স্বাধীনতাক লৈ সৰৱ হৈ উঠা ছেইন উইনৰ ব্যক্তিগত স্বাধীনতা বাৰে বাৰে খৰ্ব হৈছিল সুবিধাবাদী শাসকীয় পক্ষৰ হাতত। ছেইন উইনৰ নিৰপেক্ষ কলমক লেকাম লগোৱাৰ ব্যৰ্থ প্ৰয়াসত ক্ষুব্ধ শাসকীয় পক্ষই সেয়েহে কেইবাবাৰো কাৰাগাৰলৈ নিক্ষেপ কৰিছিল তেওঁক। মুক্ত অৱস্থাতো তেওঁৰ পৰা কাঢ়ি নিয়া হৈছিল নিজৰ দেশ এৰি যোৱাৰ অধিকাৰ। যোৱা ১৭ অক্টোবৰৰ তাৰিখে ম্যানমাৰৰ য়াংগন চহৰৰ এখন হাস্পতালত ৯১ বছৰ বয়সত ছেইন উইনে শেষ নিশ্বাস ত্যাগ কৰে।

১৯২২ চনৰ ১২ ফেব্ৰুৱাৰী তাৰিখে জন্মগ্ৰহণ কৰা ছেইন উইনৰ সাংবাদিক জীৱন আছিল ভিন্ন অভিজ্ঞতাৰে পুষ্ট। ছেইনৰ সাংবাদিকতাৰ আদিপাঠ আৰম্ভ হৈছিল ম্যানমাৰত জাপানীসকলৰ আগ্ৰাসনৰ সময়ত। পৰৱৰ্তী সময়ত তেওঁ প্ৰত্যক্ষ কৰিবলৈ সক্ষম হৈছিল ঔপনিৱেশিক শাসন, সংসদীয় গণতন্ত্ৰ, সামৰিক শাসন আদি শাসকতন্ত্ৰৰ ভিন্ন ৰূপক। ১৯৪২ চনত জাপানীসকলে যেতিয়া ব্ৰহ্মদেশত তেওঁলোকৰ খোপনি পুতিছিল তেতিয়াই ছেইন উইনে আৰম্ভ কৰিছিল তেওঁৰ সাংবাদিকতাৰ কেৰিয়াৰ। ইয়াৰ পিছত বৃটিছসকলে তাত আৰম্ভ কৰিছিল এক ঔপনিৱেশিক শাসনৰ যি ১৯৪৮ চনলৈ অব্যাহত আছিল। কাৰ্যতঃ কিন্তু ১৯৪৮ চনত বৃটিছসকলে ব্ৰহ্মদেশ এৰি আহিলেও ঔপনিৱেশিক শাসনৰ প্ৰভাৱৰ পৰা সেই দেশ ইমান সহজে মুক্ত হ'ব পৰা নাছিল। শাসক সলনি হৈছিল যদিও তেওঁলোকৰ শোষণৰ স্বৰূপ যেন একেই ৰৈ গৈছিল, বৃটিছসকলৰ দৰে। সেই সময়ত ছেইন আছিল 'দ্য গাৰ্ডিয়ান' নামৰ সংবাদপত্ৰখনৰ প্ৰকাশক তথা সম্পাদক। দেশীয় শাসকৰ বিদেশী শোষকৰ স্বৰূপটোৰ বিৰুদ্ধে ক্ষুৰধাৰ হৈ উঠা তেওঁৰ কলমক স্তব্ধ কৰিবলৈয়ে ১৯৫৮ চনত তেওঁক প্ৰথমবাৰলৈ কাৰাগাৰলৈ নিক্ষেপ কৰা হৈছিল। কিন্তু সেই সময়ছোৱাত তেওঁৰ নিৰ্দোষিতা প্ৰমাণিত হোৱাত তেওঁক প্ৰায় এমাহমানৰ ভিতৰতে এৰি দিবলৈ বাধ্য হৈছিল। ১৯৬২ চনত ঘটা সামৰিক উত্থানেৰে সংসদীয় গণতন্ত্ৰৰ অন্ত পেলাই সামৰিক শাসকসকলে নিজৰ হাতলৈ আনে দেশৰ শাসন। ইয়াৰ প্ৰভাৱ পৰে দেশৰ সংবাদপত্ৰসমূহৰ ওপৰতো কিয়নো সামৰিক শাসকসকলে গাৰ্ডিয়ানকে আদি কৰি দেশৰ সকলো সংবাদপত্ৰকে ব্যক্তিগত মালিকানাধীন



স্বৰূপটো সলনি কৰি ৰাষ্ট্ৰীয়কৃত সংবাদপত্ৰলৈ পৰিণত কৰে। অৱশ্যে ছেইনে প্ৰথম অৱস্থাত শাসকীয় পক্ষৰ পৰা প্ৰয়োজনীয় গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৬৩ চনত তেওঁ 'ইণ্টাৰনেচনেল ফেডাৰেচন অৱ নিউজ পেপাৰ পাব্লিছাৰ' নামৰ সংস্থাটিৰ পৰা 'গল্ডেন পেন অৱ ফ্ৰীডম এৱাৰ্ড' নামৰ পুৰস্কাৰটি লাভ কৰিবলৈ সক্ষম হয়। কিন্তু সময়ৰ লগে লগে ছেইনৰ কলমে বিপাঙত পেলোৱা সামৰিক প্ৰশাসকসকলৰ বাবে তেওঁ যেন বিপজ্জনক হৈ পৰিছিল। দেশৰ জনসাধাৰণৰ ৰুষ্টতাও লাহে লাহে বৃদ্ধি পাইছিল সামৰিক শাসনৰ প্ৰতি আৰু তেনে সময়ত ছেইন থিয় দিছিল জনসাধাৰণৰ পক্ষত। সেই সময়ত নিজৰ কিছু সঁচা আৰু কাল্পনিক শত্ৰুৰ সৈতে যুদ্ধত লিপ্ত হোৱা সামৰিক বাহিনীৰ মুৰব্বী জেনেৰেল নে উইনে ছেইন উইনকো নিজৰ এজন সম্ভাব্য কাল্পনিক শত্ৰু হিচাপে গণ্য কৰি জেললৈ নিক্ষেপ কৰিলে। ছেইন উইনে এই সম্পৰ্কে পিছত উল্লেখ কৰিছিল, 'ময়ো নে উইনৰ দুৰ্ভগীয়া কাল্পনিক শত্ৰুসকলৰ এজন আছিলো, যিকোনো ধৰণৰ সোধাপোছা নোহোৱাকৈ বিনা বিচাৰে তিনিটা বছৰ কটাবলগীয়া হৈছিল জেলৰ অন্ধকাৰ কুঠৰীত। অৱশ্যে এয়াই ছেইন উইনৰ ওপৰত সামৰিক প্ৰশাসনৰ শেষ আক্ৰমণ নাছিল। ১৯৮৮ চনত যেতিয়া গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰতিষ্ঠাৰ হকে সমগ্ৰ ম্যানমাৰজুৰি সৃষ্টি হৈছিল এক প্ৰচণ্ড গণ আন্দোলনৰ সেই সময়ত জনতাৰ পক্ষত থিয় হোৱা ছেইন উইনক পুনৰ ২৮ দিনৰ বাবে কাৰাৰুদ্ধ কৰা হৈছিল।

ছেইনৰ বাবে সৌভাগ্যৰ কথা আছিল যে ম্যানমাৰৰ বহুতো উত্থান-পতনৰ সাক্ষী তেওঁৰ জীৱনকালতে সামৰিক শাসন জনতাৰ ঐক্যবদ্ধ শক্তিৰ হাতত ওফৰি যোৱাৰ ছবি নিজ চকুৰে দেখিবলৈ সক্ষম হৈছিল। যোৱা ২০১১ চনত সামৰিক শাসনৰ অন্ত পৰাৰ লগে লগে প্ৰেছৰ ওপৰত ছেন্সৰশ্বিপৰ নামত থকা চৰকাৰী নিয়ন্ত্ৰণ নাইকিয়া হোৱাৰ ঘটনাৰ তেওঁ সাক্ষী হোৱাৰ লগতে একেটি বছৰতে পুনৰ ব্যক্তিগত খণ্ডৰ বাতৰিকাকতসমূহ নতুনকৈ ভুমুকি মাৰি যোৱাটোও তেওঁ জীৱনকালতে দেখি যাবলৈ সক্ষম হৈছিল; যি ইমানদিনে সামৰিক শাসনৰ কাঢ়া নিৰ্দেশত চৰকাৰী বাহিনীৰ মুখপত্ৰৰ দৰে কাম কৰিবলৈ বাধ্য হৈছিল। দীৰ্ঘদিনীয়া অসুস্থতাৰে য়াংগন চহৰত মৃত্যুৰ সৈতে যুঁজি থকা ছেইন উইনৰ বাবে নিজ দেশত জনসাধাৰণৰ বিজয়েৰে পুনৰ গণতন্ত্ৰৰ ধ্বজা উৰুৱাবলৈ সক্ষম হোৱাটোৱে চাগে জীৱনৰ শেষ দিনকেইটাৰ এটি ভাল খবৰ আছিল। ■